# অনুজ্ঞাপত্ৰ

— জিতুমণি পাঠক

পেন্ট-ছাৰ্টযোৰ ইস্ত্ৰী কৰি থাকোঁতে তাইৰ এনে ভাব হৈছিল এই মাত্ৰই যেন তাইৰ সমস্ত শৰীৰ জহি-খহি পৰিব। সৰ্বশৰীৰজুৰি প্ৰচণ্ড বিষ। তাৰ পাছতো কেঁকাই-গেঠাই তাই বাচন-বৰ্তনবোৰ ধুলে। ভাতখিনি ৰান্ধি অটালে। তাৰ পাছত খৰধৰকৈ আটাখিনি মাৰি দুপৰীয়াৰ টিফিনৰ বাবে ৰুটীখিনি বনোৱাত লাগিল। আজিও দেৰিয়েই হ'ব নেকি? তাই ভয়ে ভয়ে ৱাল ঘড়ীটোলৈ চালে।



ৰুটীখিনি বনোৱা হোৱাৰ পাছত তাই সেইখিনি পেপাৰৰে মেৰিয়াই টিফিনত সোমাব খোজোতেই তাইৰ চকু এটুকুৰা ঠাইত স্তব্ধ হৈ গ'ল। তাই লাহে লাহে মেৰিওৱা ৰুটীখিনি খুলি পেলালে। 'ধৰ্ষণকাৰীক যাৱজ্জীৱন কাৰাদণ্ড' বাতৰিটো ওপৰা-উপৰিকৈ তাই কেইবাবাৰো পঢ়িলে। তাইৰ বিষ-বেদনাৰে জৰ্জৰ শৰীৰটো কিবা এটা ক্ষোভত যেন জ্বলি উঠিল। তাই উভতি গিৰীয়েকলৈ চালে। এই মানুহটোৱেই কালি নিশা তাইৰ হেজাৰ বাধা সত্ত্বেও তাইৰ ৰুগীয়া শৰীৰটোক অতি বৰ্বৰতাৰে ধৰ্ষণ কৰিছিল। তাই বাধা দিছিল, যন্ত্ৰণাত চিৎকাৰ কৰিছিল। কিন্তু তাৰ শুনিবলৈ সময় নাছিল। কাৰণ সি তাইৰ গিৰীয়েক। তাৰ হাতত এখন অনুজ্ঞাপত্ৰ আছে। ধৰ্ষণ কৰাৰ।

অফিচলৈ ওলোৱাৰ সময়ত গিৰীয়েকে কৈ গ'ল ৰাতিলৈ অলপ পঠাৰ মাংস আনি বনাবলৈ। শাহুৱেকেও তাইক পুৱাই ফোন কৰি কৈছিল তাক অলপ পায়স বনাই খুৱাবাচোন, বৰ ভাল পায় সি। ৰাতিলৈ তাই পঠাৰ মাংস আৰু পায়স বনাই বিষ-বেদনাৰে জৰ্জৰ শৰীৰটো লৈ অপেক্ষা কৰি ৰ'ব এটা ধৰ্ষণকাৰীলৈ।

ফোন: ৮৬৩৮০১৪৭৬৭